NEWZ NOW

সংখ্যা ১৯ বৃহস্পতিবাৰ, ১২ নৱেম্বৰ ২০২৬ অসমৰ ডিজিটেল বাতৰি কাকত

ব্যৱসায়-বাণিজ্য

ভাৰতৰ খুচুৰা মুদ্রাস্ফীতি ৬.০৯ শতাংশলৈ বৃদ্ধি, ৰিজাৰ্ভ বেংকৰ সৰ্বোচ্চ সহন সীমা অতিক্রম

অক্টোবৰত দেশৰ খুচুৰা মুদ্রাস্ফীতি ৬.০৯ শতাংশলৈ বৃদ্ধি পাই ৰিজাৰ্ভ বেংকৰ ৬ শতাংশৰ সৰ্বোচ্চ সহনসীমা অতিক্রম কৰিছে।



NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৯

নতুন দিল্লী, ১২ নৱেম্বৰ: দেশত অক্টোবৰত খুচুৰা মুদ্রাস্ফীতিৰ হাৰ বৃদ্ধি পাই ৬.০৯ শতাংশ হৈছে। ইয়াৰ ফলত ভাৰতীয় ৰিজাৰ্ভ বেংকে নির্ধাৰণ কৰা ৬ শতাংশৰ সৰ্বোচ্চ সহনসীমা অতিক্রম কৰিছে মুদ্রাস্ফীতিয়ে।

ছেপ্টেম্বৰত খুচুৰা মুদ্রাস্ফীতিৰ হাৰ আছিল ৫.৫৪ শতাংশ। অর্থনীতিবিদসকলে অক্টোবৰত এই হাৰ ৫.

সম্পূর্ণ খবৰ:
https://newznow.in/news/2428

অসম

২০২৫ত অসমত হ*ত্যাৰ গোচৰ: ৮৫৮টা, গুৱাহাটীত সর্বাধিক; ২০২৬ৰ প্রথম পাঁচ মাহতে ৩০৯টা হ*ত্যা



গুৱাহাটী, ১২ নৱেম্বৰ: অসমত হত্যাৰ গোচৰৰ সংখ্যাই উদ্বেগজনক ছবি দাঙি ধৰিছে। ২০২৫ চনত ৰাজ্যখনত মুঠ ৮৫৮টা হত্যাৰ গোচৰ নথিভুক্ত হৈছিল।

পঢ়ক: https://newznow.in/news/2366

অসম

অসমত ২.৫১ কোটি ভোটাৰৰ খচৰা তালিকা প্রকাশ, কামৰূপ মহানগৰত ১০.৬১ লাখ ভোটাৰ



গুৱাহাটী, ১২ নৱেম্বৰ: ২০২৭ চনৰ বিশেষ সংক্ষিপ্ত ভোটাৰ তালিকা সংশোধন (SSR) প্রক্রিয়াৰ অধীনত বৃহস্পতিবাৰে অসমৰ খচৰা ফটো ভোটাৰ তালিকা প্রকাশ কৰা হয়।

পঢ়ক: https://newznow.in/news/2505

দেশ

পেন কার্ড-ভোটাৰ পৰিচয়-পত্র নাগৰিকত্বৰ প্রমাণ নহয়: গুৱাহাটী উচ্চ ন্যায়ালয়




গুৱাহাটী, ১২ নৱেম্বৰ: কেৱল পেন কার্ড আৰু নির্বাচনী ফটো পৰিচয়-পত্রৰ ভিত্তিত ভাৰতীয় নাগৰিকত্ব প্রমাণ কৰিব নোৱাৰি বুলি ৰায় দিছে গুৱাহাটী উচ্চ ন্যায়াল...

পঢ়ক: https://newznow.in/news/2333

আন্তঃৰাষ্ট্রীয়

নৰৱেত প্রধানমন্ত্রী মোদীক প্রশ্ন কৰি অস্বস্তিত পেলোৱা হেলে ল্যঙক ভাৰত ভ্রমণত বাধা!



নতুন দিল্লী, ১২ নৱেম্বৰ: নৰৱেত প্রধানমন্ত্রী নৰেন্দ্র মোদীক সংবাদ মাধ্যমৰ প্রশ্নৰ উত্তৰ নিদিয়াক লৈ প্রশ্ন কৰি চর্চালৈ অহা সাংবাদিক হেলে ল্যঙক ভাৰত ভ্...

পঢ়ক: https://newznow.in/news/2390

ভিতৰৰ পাতত

অসম: "অসমত SIR লাগিবই, ভোটাৰ তালিকাৰ পৰ...
অসম: গোৱালপাৰা, কামৰূপ আৰু নগাঁৱৰ উচ্ছে...
স্বাস্থ্য: পৰৱর্তী ৫-১০ বছৰত বিশ্বজুৰি উপলব্ধ...
অসম: বাংলাদেশত ১৯৯০ চনত সংঘটিত হত্যাকাণ...

অসম

"অসমত SIR লাগিবই, ভোটাৰ তালিকাৰ পৰা অবৈধ বাংলাদেশীৰ নাম কৰ্তন কৰিবই লাগিব" : উৎপল শর্মা

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৮:০৩



গুৱাহাটী, ১২ নৱেম্বৰ: অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়া ৰূপায়ণৰ দাবী উত্থাপন কৰিছে উৎপল শর্মাই। ৰাজ্যখনত নির্ভুল আৰু শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাটো অতি প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। একে সময়তে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পুনৰ পৰীক্ষাৰো দাবী জনাইছে তেওঁ।


উৎপল শর্মাই কয়, অসমৰ মানুহে অসম আন্দোলনৰ সময়তেই এছ আই আৰৰ কথা শুনিছে। অসমত এছ আই আৰ আৰু শুদ্ধ ভোটাৰ তালিকা লাগিবই বুলি তেওঁ কয়।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2516

স্বাস্থ্য

পৰৱর্তী ৫-১০ বছৰত বিশ্বজুৰি উপলব্ধ হ'ব পাৰে কৰ্কট ৰোগৰ প্ৰতিষেধক! সম্ভাৱনা ব্যক্ত কৰিলে বিশিষ্ট বিজ্ঞানী ডাঃ ৰুবুল মাউটে

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৭:৪৫



গুৱাহাটী, ১২ নৱেম্বৰ: আগন্তুক ৫ৰ পৰা ১০ বছৰৰ ভিতৰত কৰ্কট ৰোগৰ প্ৰতিষেধক বিশ্বজুৰি উপলব্ধ হোৱাৰ সম্ভাৱনা আছে বুলি মত প্ৰকাশ কৰিছে বিশিষ্ট বিজ্ঞানী ডাঃ ৰুবুল মাউটে। বিজ্ঞানীগৰাকীৰ মতে, প্ৰটিন ডিজাইন, কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আৰু জৈৱ-প্ৰযুক্তিৰ অগ্ৰগতিয়ে কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত নতুন দিশ মুকলি কৰিছে। বিশেষকৈ ব্যক্তিভিত্তিকভাৱে প্ৰস্তুত কৰা টিকাৰ জৰিয়তে ৰোগীৰ শৰীৰৰ নির্দিষ্ট কৰ্কট কোষ চিনাক্ত কৰি লক্ষ্যভিত্তিক চিকিৎসা আগবঢ়োৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2498

অসম

গোৱালপাৰা, কামৰূপ আৰু নগাঁৱৰ উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপন আৰু ক্ষতিপূৰণৰ নির্দেশ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৪



গুৱাহাটী: অসমৰ তিনিটা অঞ্চলত উচ্ছেদৰ সন্মুখীন হোৱা পৰিয়ালসমূহক শীঘ্ৰে পুনৰ সংস্থাপন আৰু ক্ষতিপূৰণ প্ৰদান কৰিবলৈ অসম চৰকাৰক নির্দেশ দিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2341

অসম

বাংলাদেশত ১৯৯০ চনত সংঘটিত হত্যাকাণ্ডৰ অভিযুক্ত গ্ৰেপ্তাৰ দেৰগাঁৱত

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৬:৫১



দেৰগাঁও: অসম আৰক্ষীয়ে গোলাঘাট জিলাৰ নাহৰণিৰ বৰেঘৰীয়াৰ পৰা বাংলাদেশত ১৯৯০ চনত সংঘটিত এক হত্যাকাণ্ডৰ অভিযুক্ত মাসুক মিঞাক গ্ৰেপ্তাৰ কৰিছে। মাসুক আহমেদ নামেৰেও পৰিচিত লোকজনক বুধবাৰ গভীৰ নিশা আটক কৰা হয়।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2474

দেশ

পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ৰোধৰ বাবে NTAৰ নতুন পদক্ষেপ, পৰ্যবেক্ষক হিচাপে নিযুক্তি দিব অৱসৰপ্ৰাপ্ত সামৰিক বিষয়াক

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:২৫



নতুন দিল্লী, ১২ নৱেম্বৰ: পৰীক্ষাৰ স্বচ্ছতা আৰু নিৰাপত্তা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা (NTA)-ই অৱসৰপ্ৰাপ্ত সামৰিক বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ (CAPF) বিষয়াসকলক পৰীক্ষাৰ পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়াৰ পৰিকল্পনা কৰিছে। শেহতীয়াকৈ NEET-UGৰ প্ৰশ্নকাকত ফাদিলক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পিছত সংস্থাটোৱে পৰীক্ষা ব্যৱস্থাত নিৰাপত্তা আৰু তদাৰকী ব্যৱস্থা শক্তিশালী কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে।

NTAৰ ৭ নৱেম্বৰত প্ৰকাশিত আনুষ্ঠানিক জাননী অনুসৰি, সংস্থাটোৱে পৰীক্ষাসমূহৰ বাবে এক স্থায়ী আৰু আগতী...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2455

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰৰ কাংপকপিত প্ৰতিদ্বন্দ্বী উগ্ৰপন্থী গোটৰ মাজত গুলীয়াগুলী, কুকি মহিলাৰ মৃত্যু; এজন আহত

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:১৭



ইম্ফল, ১২ নৱেম্বৰ: মণিপুৰৰ কাংপকপি জিলাত সন্দেহযুক্ত দুটা প্ৰতিদ্বন্দ্বী উগ্ৰপন্থী গোটৰ মাজত হোৱা গুলীয়াগুলীত এগৰাকী কুকি মহিলাৰ মৃত্যু হোৱাৰ লগতে এজন পুৰুষ আহত হৈছে।

বৃহস্পতিবাৰে পুৱা প্ৰায় ১১ বজাত কাংপকপি জিলাৰ টাফৌ কুকি গাঁও আৰু কাষৰীয়া সেনাপতি জিলাৰ কেইলেনজাং অঞ্চলৰ মাজত এই গুলীয়াগুলীৰ ঘটনা সংঘটিত হয়।


টাফৌ কুকি গাঁৱৰ মহিলাগৰাকী ওচৰৰ পথাৰত কাম কৰি থকা অৱস্থাত গুলীবিদ্ধ হয়। নিহত মহিলাগৰাকীক নেংবৈ চংলো বুলি চিনাক্ত কৰা হৈছে। মহিলাগৰাকীৰ হাতত এখন কাঁচি আছিল বুলি জানিব পৰা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2445

ৰাজনীতি

নিজৰ কথা কোৱাৰ সম্পূৰ্ণ অধিকাৰ ছোনিয়া গান্ধীৰ আছে: প্ৰিয়ংকা

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:২১



ৱায়ানাড, ১২ নৱেম্বৰ: কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভদ্ৰাই তেওঁৰ মাতৃ তথা কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী ছোনিয়া গান্ধীৰ শেহতীয়াকৈ প্ৰকাশিত আত্মজীৱনীক লৈ বিজেপিৰ সমালোচনাৰ প্ৰত্যুত্তৰ দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2453

দেশ

উত্তৰ প্ৰদেশৰ চম্ভলত ৰাজহুৱা ভূমিত নিৰ্মিত মছজিদ উচ্ছেদৰ অভিযান, মোতায়েন বৃহৎ আৰক্ষী বাহিনী

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:০৪



সম্ভল, ১২ নৱেম্বৰ: উত্তৰ প্ৰদেশৰ সম্ভল জিলাৰ আছমলি অঞ্চলৰ কুতুবপুৰ সাট্টা গাঁৱত ৰাজহুৱা ব্যৱহাৰৰ বাবে নিৰ্ধাৰিত ভূমিত নিৰ্মাণ কৰা বুলি অভিযোগ উঠা এটা মছজিদ উচ্ছেদৰ অভিযান বৃহস্পতিবাৰে আৰম্ভ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2438

দেশ

বিদেশী আদালতৰ বিবাহ বিচ্ছেদৰ ৰায় ভাৰতত স্বয়ংক্রিয়ভাৱে বৈধ নহয়: সর্বোচ্চ ন্যায়ালয়

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৭



নতুন দিল্লী, ১২ নৱেম্বৰ: বিদেশী আদালতে প্রদান কৰা বিবাহ বিচ্ছেদৰ ৰায় ভাৰতত স্বয়ংক্রিয়ভাৱে বৈধ বুলি গণ্য কৰিব নোৱাৰি বুলি গুৰুত্বপূর্ণ ৰায় দিছে সর্বোচ্চ ন্যায়ালয়ে। ভাৰতত হিন্দু ৰীতি-নীতি অনুসৰি প্রথম বিবাহ সম্পন্ন কৰাৰ পাছত বিদেশী নাগৰিকত্ব গ্রহণ কৰি আন এখন দেশৰ আদালতৰ পৰা বিবাহ বিচ্ছেদৰ ৰায় লাভ কৰিলেও ভাৰতীয় আইনৰ অধীনত দ্বিতীয় বিবাহৰ বাবে বহুবিবাহৰ গোচৰৰ সন্মুখীন হ'ব লাগিব পাৰে বুলি আদালতে কয়।

ন্যায়াধীশ প্রশান্ত কুমাৰ মিশ্র আৰু ন্যায়াধীশ শ্রী চন্দ্রশেখৰৰ বিচাৰপীঠে এন. শ্রীধৰ ৰেড্ডীৰ আবেদন খাৰিজ কৰি এই ৰায় দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2437

আন্তঃৰাষ্ট্রীয়

পাকিস্তানে ছ'চিয়েল মিডিয়াৰে ভাৰতীয় যুৱকক উগ্রপন্থী কার্যকলাপত জড়িত কৰাৰ অভিযোগ, এনআইএৰ তদন্ত

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:৪১



নতুন দিল্লী, ১২ নৱেম্বৰ: পাকিস্তানস্থিত গেংষ্টাৰ শ্বাহজাদ ভাট্টী আৰু পাকিস্তানৰ চোৰাংচোৱা সংস্থা আইএছআইৰ সৈতে জড়িত লোকসকলে ছ'চিয়েল মিডিয়াৰ জৰিয়তে ভাৰতীয় যুৱকসকলক উগ্রপন্থী কার্যকলাপৰ দিশে পৰিচালিত কৰাৰ অভিযোগত ৰাষ্ট্রীয় তদন্তকাৰী সংস্থাই নতুনকৈ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে।

দেশত সন্ত্রাসবাদী আক্রমণ সংঘটিত কৰাৰ উদ্দেশ্যে যুৱকসকলক প্ররোচিত কৰাৰ অভিযোগ উত্থাপন হৈছে। চলিত বর্ষৰ এপ্রিল মাহত উত্তৰ প্রদেশৰ সন্ত্রাসবাদবিৰোধী শাখাই ৰুজু কৰা এটা গোচৰৰ ভিত্তিতে এনআইএৰ তদন্ত আৰম্ভ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2412

দেশ

জেনীৰ অভিযোগক বিজেপিয়ে ৰাজনৈতিক অস্ত্র হিচাপে ব্যৱহাৰ কৰিছে: হৰক সিং ৰাৱট

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৩



ডেৰাডুন, ১২ নৱেম্বৰ: অসমৰ জেনী নামৰ এগৰাকী মহিলাই উত্থাপন কৰা পুৰণি যৌন নির্যাতনৰ অভিযোগক বিজেপিয়ে ৰাজনৈতিক অস্ত্র হিচাপে ব্যৱহাৰ কৰিছে বুলি অভিযোগ কৰিছে উত্তৰাখণ্ডৰ প্রাক্তন মন্ত্রী তথা কংগ্রেছ নেতা হৰক সিং ৰাৱটে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2432

দেশ

মহিলা সংৰক্ষণ বিধেয়ক লৈ বিশেষ অধিৱেশনৰ চিন্তা কেন্দ্রৰ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৯




নতুন দিল্লী, ১২ নৱেম্বৰ: লোকসভা আৰু ৰাজ্য বিধানসভাসমূহত মহিলাৰ বাবে সংৰক্ষণ কার্যকৰী কৰাৰ পথ প্রশস্ত কৰিবলৈ সংসদৰ বিশেষ অধিৱেশন আহ্বান কৰাৰ কথা বিবেচনা কৰিছে কেন্দ্রীয় চৰকাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2406

দেশ

উৎসৱকালত অনলাইন বিক্ৰী ১৭ শতাংশ বৃদ্ধি, অৱশ্য গড় ব্যয় হ্ৰাস

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৮



নতুন দিল্লী, ১২ নৱেম্বৰ: দীপাৱলীকে ধৰি উৎসৱকালত ভাৰতত অনলাইন সামগ্ৰীৰ বিক্ৰী ১৭ শতাংশ বৃদ্ধি পাইছে। কিন্তু বিক্ৰীৰ পৰিমাণ বৃদ্ধি পালেও প্ৰতিটো ক্ৰয়ৰ বিপৰীতে গ্ৰাহকে ব্যয় কৰা ধনৰ পৰিমাণ হ্ৰাস পাইছে।

ডেটাম ইণ্টেলিজেন্সৰ 'ফেষ্টিভ বেৰ'মিটাৰ ২০২৬' প্ৰতিবেদন অনুসৰি, ৯ নৱেম্বৰলৈকে ৩৪ দিনৰ উৎসৱকালীন বিক্ৰীত দেশৰ অনলাইন বজাৰৰ মুঠ বিক্ৰীৰ পৰিমাণ প্ৰায় ১.৪১ লাখ কোটি টকা হৈছে। ২০২৫ চনত এই পৰিমাণ আছিল ১.২০ লাখ কোটি টকা।

অৱশ্যে এই বিক্ৰীৰ পৰিমাণ সংস্থাটোৱে পূৰ্বে কৰা ১.৫০ লাখ কোটিৰ পৰা ১.৫৫ লাখ কোটি টকাৰ পূৰ্বানুমানতকৈ কম।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2410

দেশ

'Z for Zubeen Garg' চতুৰ্থ শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভক্ত জুবিন গাৰ্গ!

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:২৫



গুৱাহাটী, ১২ নৱেম্বৰ, ২০২৬:


'Z for Zubeen Garg' - সামাজিক মাধ্যমত ভাইৰেল হোৱা এখন বৰ্ণমালাৰ কিতাপৰ পৃষ্ঠাক লৈ চৰ্চা আৰম্ভ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2418

দেশ

পূৰ্বৰ ফটকাৰ ধোঁৱাই বায়ুমণ্ডল বিশুদ্ধ কৰিছিল! দীপাৱলীৰ অনুষ্ঠানত মন্তব্য আৰএছএছ প্ৰধান মোহন ভাগৱতৰ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:১৩



নাগপুৰ, ১২ নৱেম্বৰ: পূৰ্বৰ সময়ত ব্যৱহাৰ কৰা ফটকাত আজিৰ দৰে ৰাসায়নিক পদাৰ্থ নাছিল আৰু সেই ফটকাৰ ধোঁৱাই বায়ুমণ্ডল বিশুদ্ধ কৰাত সহায় কৰিছিল বুলি মন্তব্য কৰিছে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ (আৰএছএছ) প্ৰধান মোহন ভাগৱতে। বুধবাৰে নাগপুৰত অনুষ্ঠিত 'দীপাৱলী মিলন' অনুষ্ঠানত ভাষণ দি ভাগৱতে কয় যে ভাৰতীয় উৎসৱ-পাৰ্বণৰ সৈতে জড়িত বহু পৰম্পৰাৰ আঁৰত বৈজ্ঞানিক যুক্তি আছে। অতীতত ফটকাৰ ধোঁৱাই বিশেষকৈ শস্য চপোৱাৰ সময়ত কীট-পতংগ নিধন কৰি পৰিৱেশ পৰিষ্কাৰ কৰাত সহায় কৰিছিল বুলিও তেওঁ মন্তব্য কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2398

দেশ

অৰবিন্দ কেজৰিৱাল আৰু কন্যা হৰ্ষিতাক লৰেন্স বিষ্ণোই গেঙৰ হত্যাৰ ভাবুকি!

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৮



নতুন দিল্লী, ১২ নৱেম্বৰ: দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱাল আৰু তেওঁৰ কন্যা হৰ্ষিতা কেজৰিৱালক হত্যাৰ ভাবুকি দিয়াৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2394

দেশ

পুৱাৰ খোজ কাঢ়িবলৈ গৈ সংজ্ঞাহীন জগদীপ ধনখড়, এআইআইএমএছত ভর্তি

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৪



নতুন দিল্লী, ১২ নৱেম্বৰ: পুৱাৰ খোজ কাঢ়িবলৈ গৈ হঠাৎ সংজ্ঞাহীন হৈ পৰা ভাৰতৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক বুধবাৰে নতুন দিল্লীৰ সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত ভর্তি কৰোৱা হৈছে।

৭৫ বছৰীয়া ধনখড়ক চিকিৎসালয়খনৰ কার্ডিঅ'-নিউৰ' কেন্দ্ৰত ভর্তি কৰোৱা হৈছে। বর্তমান তেওঁ কার্ডিঅ'লজী বিভাগৰ চিকিৎসকৰ তত্ত্বাৱধানত আছে। তেওঁৰ স্বাস্থ্যৰ অৱস্থা আৰু প্ৰয়োজনীয় চিকিৎসাৰ মূল্যায়ন চলি আছে।

পুৱাৰ খোজ কাঢ়ি থকাৰ সময়তে ধনখড় হঠাৎ ঢলি পৰি কেইমিনিটমানৰ বাবে সংজ্ঞাহীন হৈ আছিল। তেওঁৰ লগত থকা নিৰাপত্তাৰক্ষীসকলে প্ৰথমে আৰক্ষীৰ বাহনেৰে তেওঁক বাসগৃহলৈ লৈ যায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2386

দেশ

যৌন নির্যাতনৰ অভিযোগৰ মাজতে কংগ্ৰেছৰ নির্বাচনী সমিতিত মণিপুৰৰ সাংসদ বিমল আকোইজাম, কংগ্ৰেছক বিজেপিৰ সমালোচনা

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৪



নতুন দিল্লী, ১২ নৱেম্বৰ: যৌন নির্যাতনৰ অভিযোগৰ সম্মুখীন হোৱা মণিপুৰৰ কংগ্ৰেছ সাংসদ তথা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ (JNU) অধ্যাপক আংগোমচা বিমল আকোইজামক দলৰ নির্বাচনী সমিতিত গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰদান কৰাক লৈ ৰাজনৈতিক বিতর্কৰ সৃষ্টি হৈছে। আগন্তুক মণিপুৰ বিধানসভা নির্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে কংগ্ৰেছে তেওঁক কেইবাখনো সমিতিত অন্তর্ভুক্ত কৰাৰ পিছতে বিজেপিয়ে দলটোক সমালোচনা কৰিছে।

জানিব পৰা মতে, JNUৰ ১১গৰাকী ছাত্ৰীয়ে সাংসদগৰাকীৰ বিৰুদ্ধে যৌন নির্যাতনৰ অভিযোগ উত্থাপন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2377

ৰাজনীতি

২০০৪ চনত প্ৰধানমন্ত্রীৰ পদ গ্ৰহণ নকৰাৰ পাছতো ছোনিয়া গান্ধী 'ছুপাৰ প্ৰধানমন্ত্রী' আছিলঃ বিজেপি

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪১



নতুন দিল্লী, ১২ নৱেম্বৰ: কংগ্ৰেছ নেত্রী ছোনিয়া গান্ধীৰ সদ্য প্ৰকাশিত আত্মজীৱনীক কেন্দ্ৰ কৰি বিজেপি আৰু কংগ্ৰেছৰ মাজত ৰাজনৈতিক বাকযুদ্ধ আৰম্ভ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2382

দেশ

জম্মু-কাশ্মীৰৰ কিস্তৱাৰত সন্ত্রাসবাদীৰ সন্ত্রাস অব্যাহত, সন্ধানহীন দুই আৰক্ষী বিষয়াৰ মৃতদেহ উদ্ধাৰ

শাহ আলম | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৫



কিস্তৱাৰ, ১২ নৱেম্বৰ: জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ ডাচ্ছান-মাৰৱাহ অঞ্চলত সন্ধানহীন হৈ থকা দুজন বিশেষ আৰক্ষী বিষয়া (এছপিঅ')ৰ মৃতদেহ উদ্ধাৰ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2369

ৰাজনীতি

উত্তৰ প্ৰদেশত নতুন ৰাজনৈতিক সমীকৰণ, অ'ৰেইছী-চন্দ্ৰশেখৰ আজাদৰ নতুন মিত্ৰজোঁট

শ্বাহ আলম | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩১



লক্ষ্ণৌ, ১২ নৱেম্বৰ: ২০২৭ চনৰ উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি নতুন ৰাজনৈতিক মিত্ৰজোঁট গঠন কৰিছে এআইএমআইএমৰ মুৰব্বী আছাদুদ্দিন অ'ৰেইছী আৰু আজাদ সমাজ পাৰ্টি (কাংশীৰাম)ৰ সভাপতি তথা নগিনা সমষ্টিৰ সাংসদ চন্দ্ৰশেখৰ আজাদে।

বৃহস্পতিবাৰে লক্ষ্ণৌত অনুষ্ঠিত এখন সংবাদমেলত দুয়োগৰাকী নেতাই মিত্ৰজোঁটৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। নতুন মিত্ৰজোঁটটোৰ নাম 'সামাজিক পৰিৱৰ্তন মৰ্চা' ৰখা হৈছে।

ঘোষণা অনুসৰি, চন্দ্ৰশেখৰ আজাদক উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপেও প্ৰক্ষেপ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2373

দেশ

সংবাদকক্ষত একোৱেই অসম্ভৱ নহয়: মোদী

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৪



নতুন দিল্লী: প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৃহস্পতিবাৰে নতুন দিল্লীত বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত দীপাৱলী মিলন অনুষ্ঠানত সাংবাদিকসকলৰ নিষ্ঠা আৰু দায়বদ্ধতাৰ প্ৰশংসা কৰে। সংবাদকক্ষত একোৱেই অসম্ভৱ বুলি গণ্য কৰা নহয় বুলি তেখেতে কয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2362

অসম

এনআৰএলৰ পৰা পেট্ৰলিয়াম সামগ্ৰী পৰিবহণৰ নিবিদা বাতিলৰ সিদ্ধান্ত বিপিচিএলৰ, নতুন নিবিদা আহ্বান

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩০

নুমলীগড়, ১২ নৱেম্বৰ: নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰা পেট্ৰলিয়াম সামগ্ৰী পৰিবহণৰ বাবে ভাৰত পেট্ৰলিয়াম কৰ্প'ৰেচন লিমিটেডে আহ্বান কৰা পূৰ্বৰ নিবিদাখন বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছে। সংশোধিত চৰ্ত আৰু নিয়মেৰে নতুনকৈ নিবিদা আহ্বান কৰা হ'ব।

নিবিদাৰ চৰ্তসমূহক লৈ বিভিন্ন সংগঠনে আপত্তি দৰ্শাই প্ৰতিবাদ কৰাৰ পাছতে মঙলবাৰে গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত বৈঠকখনত ছাত্ৰ সংগঠন, যুৱ সংগঠন আৰু অন্যান্য সংশ্লিষ্ট সংস্থাৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2327

অসম

অইলৰ ২৫ লাখ টকাৰ সাহায্য প্ৰত্যাখ্যান ITF অঘটনত নিহতৰ পৰিয়ালৰ, ঘূৰাই দিলে চেক

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৯



ডিব্ৰুগড়, ৬ নৱেম্বৰ: টেংগাখাতস্থিত অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফাৰ্মত সংঘটিত অগ্নিকাণ্ডত নিহত ছয়জন লোকৰ পৰিয়াললৈ ঘোষণা কৰা ২৫ লাখ টকাৰ এককালীন সাহায্য প্ৰত্যাখ্যান কৰিছে একাংশ ক্ষতিগ্ৰস্ত পৰিয়ালে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2296

উত্তৰ-পূৰ্বাঞ্চল

অৰুণাচলৰ পাৰ্চি পাৰ্লোত ভয়ংকৰ অগ্নিকাণ্ড, ৩ শিশুসহ ৪জনৰ মৃত্যু; ভস্মীভূত ২৪টা বাসগৃহ

শ্বাহ আলম | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৫



ইটানগৰ, ১২ নৱেম্বৰ: অৰুণাচল প্ৰদেশৰ কুৰুং কুমে জিলাৰ পাৰ্চি পাৰ্লো চহৰত বৃহস্পতিবাৰে পুৱতি নিশা সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত তিনিটা শিশুসহ এগৰাকী মহিলাৰ মৃত্যু হৈছে। অগ্নিকাণ্ডত কমেও ২৪টা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে কেইবাটাও পৰিয়াল গৃহহীন হৈ পৰিছে।

বৃহস্পতিবাৰে পুৱতি নিশা প্ৰায় ২ বজাত জুইৰ সূত্ৰপাত হয়। প্ৰাথমিক সন্দেহ অনুসৰি, এটা পাকঘৰৰ পৰা জুইৰ সূত্ৰপাত ঘটিছিল। পিছত জুই দ্ৰুতগতিত বিয়পি পৰি কেইবাটাও বাসগৃহ গ্ৰাস কৰে। অৱশ্যে, অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও নিশ্চিত হোৱা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2284

দেশ

অভিষেক বেনাৰ্জীৰ বাসভৱনৰ সন্মুখত উচ্ছেদ অভিযান

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৯



কলকাতা: তৃণমূল কংগ্ৰেছৰ সাংসদ অভিষেক বেনাৰ্জীৰ কালিঘাটস্থিত বাসভৱনৰ সন্মুখত পদপথ দখল কৰি ৰখা অবৈধ গাঁথনিৰ বিৰুদ্ধে বৃহস্পতিবাৰে উচ্ছেদ অভিযান চলোৱা হয়।


কলকাতা পৌৰ নিগমে অভিযান চলাই বাঁহ আৰু টিনেৰে নিৰ্মিত গাঁথনিটো ভাঙি পেলোৱাৰ লগতে পদপথত স্থাপন কৰা ধাতুৰ গেটটোও আঁতৰাই দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2210

অসম

ভুৱা দশম শ্ৰেণীৰ প্ৰমাণপত্ৰেৰে একাদশত ৪,৯৩৪ শিক্ষাৰ্থীৰ নামভৰ্তি

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৭



গুৱাহাটী, ১১ নৱেম্বৰ: চিআইএছচিইৰ নামত জাৰি হোৱা বুলি কোৱা ভুৱা দশম শ্ৰেণীৰ উত্তীৰ্ণ প্ৰমাণপত্ৰ ব্যৱহাৰ কৰি অসমৰ ৪,৯৩৪জন শিক্ষাৰ্থীয়ে একাদশ শ্ৰেণীত নামভৰ্তি কৰাৰ অভিযোগ উত্থাপিত হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ দ্বিতীয় বিভাগে এই তথ্য পোহৰলৈ আনিছে।


পৰিষদে ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত আৰু সচিবলৈ প্ৰেৰণ কৰা পত্ৰত জনাইছে যে, ২০২৫-২৬ শিক্ষাবৰ্ষত একাদশ শ্ৰেণীত নামভৰ্তি কৰা ২,০৮৩জন আৰু ২০২৬-২৭ শিক্ষাবৰ্ষত নামভৰ্তি কৰা ২,৮৫১জন শিক্ষাৰ্থীয়ে এনে প্ৰমাণপত্ৰ দাখিল কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2215

দেশ

১০ নৱেম্বৰলৈ প্ৰত্যক্ষ কৰ সংগ্ৰহ ১৪.৪২ লাখ কোটি, ১১.৭৬ শতাংশ বৃদ্ধি

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, পুৱা ৯:৪১



নতুন দিল্লী, ১১ নৱেম্বৰ: চলিত ২০২৬-২৭ বিত্তীয় বৰ্ষত ১০ নৱেম্বৰলৈ দেশৰ নিকা প্ৰত্যক্ষ কৰ সংগ্ৰহ বছৰি ১১.৭৬ শতাংশ বৃদ্ধি পাই ১৪.৪২ লাখ কোটি টকাত উপনীত হৈছে। একে সময়ছোৱাত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহ ১৪.০২ শতাংশ বৃদ্ধি পাই ১৭.৫০ লাখ কোটি টকা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2202

অসম

উপিপিএলৰ পঞ্চম ত্রিবার্ষিক অধিৱেশন, অংশ ল'ব ৩ হাজাৰৰো অধিক প্রতিনিধিয়ে

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৮:০৮



খাগ্রাবাৰী, ১৩ নৱেম্বৰ: ওদালগুৰি জিলাৰ বিহেৱগাঁৱৰ খাগ্রাবাৰী জনতা হাইস্কুলৰ খেলপথাৰত আজিৰে পৰা দুদিনীয়া কার্যসূচীৰে আৰম্ভ হ'ব ইউনাইটেড পিপলছ্ পার্টি লিবাৰেল (UPPL)ৰ পঞ্চম ত্রিবার্ষিক অধিৱেশন। ১৩ আৰু ১৪ নৱেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনক কেন্দ্র কৰি দলীয় কর্মী-সমর্থকৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখা গৈছে।

বড়োলেণ্ড টেৰিটৰিয়েল ৰিজনৰ বিভিন্ন জিলাৰ লগতে দলটোৰ জিলা, ব্লক আৰু প্রাথমিক পর্যায়ৰ প্রতিনিধিসকলৰ আগমনৰ বাবে প্রস্তুতি সম্পূর্ণ কৰিছে আয়োজক সমিতিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2520

অসম

ডিগবৈ মহাবিদ্যালয়ত ভাৰত-ম্যানমাৰ সীমান্ত বাণিজ্য আৰু সম্পর্ক বিষয়ক আন্তঃমহাবিদ্যালয় কুইজ প্রতিযোগিতা

বিজয় সূত্রধৰ | ১২ নৱেম্বৰ ২০২৬, নিশা ৮:০৬



ডিগবৈ, ১২ নৱেম্বৰ: ভাৰত আৰু ম্যানমাৰৰ মাজত সীমান্ত বাণিজ্য তথা দ্বিপাক্ষিক সম্পর্কৰ গুৰুত্ব সম্পর্কে ছাত্র-ছাত্রীৰ মাজত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে আজি ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত এখন আন্তঃমহাবিদ্যালয় প্রাইজমানি কুইজ প্রতিযোগিতা অনুষ্ঠিত হয়।

মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত আৰু অসম চৰকাৰৰ এক্ট ইষ্ট পলিচি পৰিক্রমা বিভাগৰ পৃষ্ঠপোষকতাত প্রতিযোগিতাখন অনুষ্ঠিত কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2510

অসম

চাহ শ্রমিকৰ ভূমি পট্টা, জনজাতিকৰণ আৰু মজুৰি বৃদ্ধিৰ দাবীত মাকুমত আটছাৰ দুই ঘণ্টীয়া প্রতিবাদ।

ৰাতুল ডেকা | ১২ নৱেম্বৰ ২০২৬, নিশা ৮:০৫



মাকুম, ১২ নৱেম্বৰঃ চাহ শ্রমিকসকলক ভূমি পট্টা প্রদান, চাহ জনগোষ্ঠীক জনজাতিকৰণ আৰু দৈনিক মজুৰি বৃদ্ধিৰ দাবীত আজি অসম চাহ জনজাতি ছাত্র সন্থা (আটছা)ই ৰাজ্যজুৰি ৰূপায়ণ কৰে দুই ঘণ্টীয়া প্রতিবাদী কার্যসূচী।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2477

অসম

ফাঁচী বজাৰত ছুৰিকাঘাত, তিনিজন আহত; তিনিজনক গ্রেপ্তাৰ

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৭:৫৭



গুৱাহাটী, ১২ নৱেম্বৰ: গুৱাহাটীৰ ফাঁচী বজাৰৰ কামাৰপট্টী এলেকাত দুটা গোটৰ মাজত হোৱা তর্কই সংঘর্ষৰ ৰূপ লোৱাত ছুৰিকাঘাতৰ ঘটনা সংঘটিত হয়। ঘটনাটোত তিনিজন লোক আহত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2515

অসম

জাতিগণনাত আহোমসকলৰ পৰিচয় সঠিকভাৱে লিপিবদ্ধৰ আহ্বান

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৭:৫৪



আগন্তুক জাতিগণনাত আহোমসকলৰ ধর্ম, জাতি আৰু ভাষাৰ পৰিচয় সঠিকভাৱে লিপিবদ্ধ কৰিবলৈ বিভিন্ন আহোম সংগঠনে আহ্বান জনাইছে। সংগঠনসমূহে অসমত ৬০ লাখ আহোম লোক থকা বুলি দাবী কৰি জাতিগণনাৰ জৰিয়তে তেওঁলোকৰ প্ৰকৃত সংখ্যা নিৰূপণ হ'ব বুলি আশা প্ৰকাশ কৰিছে।

সংগঠনকেইটাই টাই-আহোম সমাজৰ লোকসকলক ধর্মৰ স্থানত 'ফী-ডাম', জাতিৰ স্থানত ' টাই-আহোম' আৰু ভাষাৰ স্থানত 'অসমীয়া আৰু টাই' লিখিবলৈ বিনম্ৰ অনুৰোধ জনাইছে। সংগঠনসমূহৰ মতে, টাই-আহোমসকলৰ জাতিগত পৰিচয় টাই-আহোম, ধর্মীয় পৰিচয় ফী-ডাম আৰু ভাষিক পৰিচয় টাই অথবা অসমীয়া।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2503

অসম

কা আন্দোলনৰ সময়ত 'মাজত পৰি একে ঠাইতে থাকি গ'লোঁ' - মানস ৰবীনৰ মন্তব্য

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬



কা আন্দোলনত ইফালে আহ ঐ আহ... সিফালে আহ ঐ আহ... মাজত পৰি একে ঠাইতে থাকি গলো মই। বাকীবোৰে আন্দোলন কৰি নিজৰ পজিচন বনাই ল'লে।মইহে একে ঠাইতে থাকি গ'লো । আন্দোলনৰ সময়ৰ অভিজ্ঞতাক লৈ বিশেষ মন্তব্য কৰিছে সংগীতশিল্পী মানস ৰবীনে। আন্দোলনৰ সময়ত দুয়োফালৰ টনাটনিত পৰি নিজৰ অৱস্থান সলনি কৰিব নোৱাৰাৰ কথা উল্লেখ কৰি তেওঁ কয়, 'ইফালে আহ ঐ আহ, সিফালে আহ ঐ আহ, মাজত পৰি একে ঠাইতে থাকি গ'লোঁ মই।'

মানস ৰবীনৰ ভাষ্য অনুসৰি, আন্দোলনৰ সময়ত আন বহুতে নিজৰ নিজৰ অৱস্থান তৈয়াৰ কৰি ল'লে। কিন্তু তেওঁ মাজতে ৰৈ গ'ল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2461

অসম

অসমৰ সাঁচি ৰপ্তানিৰ পথ সুগম কৰাৰ লক্ষ্য, কেন্দ্ৰীয় মন্ত্ৰীৰে মন্ত্ৰীৰ জয়ন্ত মল্লবৰুৱাৰ আলোচনা

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:০৮



নতুন দিল্লী, ১২ নৱেম্বৰ: অসমৰ মূল্যৱান সাঁচি (Agar) ৰপ্তানি গুৱাহাটী বিমানবন্দৰৰ জৰিয়তে অধিক সুচল কৰাৰ লগতে ৰাজ্যখনৰ খনিজ সম্পদৰ অন্বেষণ আৰু আহৰণৰ সম্ভাৱনাক লৈ কেন্দ্ৰীয় চৰকাৰৰ দুগৰাকী মন্ত্ৰীৰ সৈতে আলোচনা কৰে অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2402

অসম

আন্দোলন নহয়, ২২ নৱেম্বৰত খানাপাৰাত 'জুবিনদাৰ বাবে এদিন'ৰ আহ্বান মানস ৰবীনৰ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫২



জুবিন গার্গৰ ন্যায়ৰ দাবীত বিভিন্ন সময়ত অনুষ্ঠিত আন্দোলন আৰু সমাৱেশত মানুহৰ উপস্থিতি হ্ৰাস পোৱা বিষয়টোক লৈ উদ্বেগ প্ৰকাশ কৰিছে বিশিষ্ট শিল্পী মানস ৰবীনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2355

দেশ

মেধাৱী শিক্ষার্থীক লাখ লাখ টকাৰ সাহায্য বিটিচি চৰকাৰৰ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৮



কোকৰাঝাৰ, ১২ নৱেম্বৰ, ২০২৬:

মেধাৱী শিক্ষার্থীক উৎসাহিত কৰাৰ লক্ষ্যৰে বীৰ শ্বহীদ সুজিত নার্জাৰী মেৰিট স্কলাৰশ্বিপৰ অধীনত আর্থিক সাহায্য প্রদান কৰিলে বিটিচি চৰকাৰে। ২০২৬ বর্ষৰ HSLC আৰু HSSLC পৰীক্ষাত অসাধাৰণ ফলাফল প্রদর্শন কৰা শিক্ষার্থীসকলক এই সাহায্য প্রদান কৰা হয়।

কোকৰাঝাৰৰ চান্দামাৰীৰ কালচাৰেল কমপ্লেক্সত অনুষ্ঠিত অনুষ্ঠানত HSLC পৰীক্ষাৰ শীর্ষ ১০ গৰাকী শিক্ষার্থী, HSSLCৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ প্রতিটোৰে শীর্ষ ১০ গৰাকী শিক্ষার্থী আৰু HSLCত বড়ো, অসমীয়া তথা নেপালী বিষয়ত ১০০ নম্বৰ লাভ কৰা শিক্ষার্থীসকলক সামৰি লোৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2381

অসম

'চিণ্ডিকেটমুক্ত অসম কেৱল শ্লোগান নেকি?'- প্রশ্ন বিদ্যুৎ শইকীয়াৰ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩১



কয়লা আৰু চুপাৰিৰ অবৈধ সৰবৰাহৰ লগতে ফর্মেলিনযুক্ত মাছৰ ব্যৱসায়ক লৈ অসম চৰকাৰক তীব্র সমালোচনা কৃষক মুক্তিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াৰ। বিজেপি চৰকাৰৰ 'চিণ্ডিকেটমুক্ত অসম' শ্লোগানক প্রশ্ন কৰি কয়লা, চুপাৰি আৰু মাছৰ ব্যৱসায়ত একাংশ লোকক বিশেষ সুবিধা দিয়াৰ অভিযোগ উত্থাপন কৰিছে তেওঁ।

বিদ্যুৎ শইকীয়াৰ অভিযোগ অনুসৰি, কয়লাৰ চিণ্ডিকেট আৰু অবৈধ খননৰ ফলত উজনি অসমৰ চাৰিখন জিলাত ব্যাপক ক্ষতি হৈছে। এই সন্দর্ভত কয়লা মাফিয়াৰ বিৰুদ্ধে তদন্ত নোহোৱাৰ অভিযোগো উত্থাপন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2354

অসম

ভূমি পট্টা আৰু জনজাতি মর্যাদাৰ দাবীত আটছাৰ ৰাজ্যজুৰি তিনিঘণ্টীয়া বিক্ষোভ

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫১



গুৱাহাটী, ১২ নৱেম্বৰ: চাহ জনগোষ্ঠীৰ ভূমি পট্টা, জনজাতিৰ মর্যাদা আৰু দৈনিক মজুৰি বৃদ্ধিকে ধৰি দীর্ঘদিনীয়া দাবীসমূহ শীঘ্রে পূৰণৰ দাবীত বৃহস্পতিবাৰে ৰাজ্যজুৰি তিনিঘণ্টীয়া অৱস্থান ধর্মঘট কৰে অসম চাহ জনজাতি ছাত্র সন্থাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2359

অসম

সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন: ডিব্রুগড়ৰ ১৩টা সমষ্টিত ৫১খন মনোনয়ন পত্র দাখিল

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৯




ডিব্রুগড়, ১২ নৱেম্বৰ: ২০২৬ চনৰ সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ (SKAC) সাধাৰণ নির্বাচনৰ বাবে ডিব্রুগড় জিলাৰ ১৩টা সমষ্টিত মুঠ ৫১খন মনোনয়ন পত্র দাখিল হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2337

অসম

দীপাৱলীত গুৱাহাটীৰ বায়ু প্ৰদূষণৰ মাত্ৰা বৃদ্ধি

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৬



গুৱাহাটী, ১১ নৱেম্বৰ: দীপাৱলীৰ সময়ছোৱাত গুৱাহাটীত বায়ু প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পোৱাত মহানগৰবাসীৰ মাজত উদ্বেগ সৃষ্টি হৈছে। বিগত বছৰৰ তুলনাত এইবাৰ দীপাৱলীৰ সময়ত বায়ুৰ গুণগত মান সূচক বৃদ্ধি পোৱাৰ তথ্য পোহৰলৈ আহিছে।

২০২৫ চনত দীপাৱলীৰ আগদিনা গুৱাহাটীৰ বায়ুৰ গুণগত মান সূচক আছিল ৫১। কিন্তু ২০২৬ চনত একেদিনাই সূচকটো বৃদ্ধি পাই ৮০ হয়।

একেদৰে, ২০২৫ চনৰ দীপাৱলীৰ দিনা গুৱাহাটীৰ বায়ুৰ গুণগত মান সূচক আছিল ৭৮। এইবাৰ দীপাৱলীৰ দিনা সেয়া বৃদ্ধি পাই ১০৮ হয়। আনহাতে, দীপাৱলীৰ পিছদিনা গুৱাহাটীৰ বায়ুৰ গুণগত মান সূচক ১৪৯ স্পৰ্শ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2344

অসম

হাটশিঙিমাৰীত ২০২৭ চনৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৫



হাটশিঙিমাৰী: দক্ষিণ শালমাৰা-মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত হাটশিঙিমাৰীস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত কৰি ২০২৭ চনৰ ফটোযুক্ত খচৰা ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। জিলা আয়ুক্ত পৰীক্ষিত থাউদামে খচৰা ভোটাৰ তালিকাখন মুকলি কৰি জিলাখনৰ ভোটাৰৰ শেহতীয়া তথ্য ৰাজহুৱা কৰে।

প্ৰকাশিত খচৰা ভোটাৰ তালিকা অনুসৰি, ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী জিলাখনৰ একমাত্ৰ বিধানসভা সমষ্টি মানকাচৰত মুঠ ভোটাৰৰ সংখ্যা ৩,১৩,৮৫৭ গৰাকী।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2301

অসম

ৱৈধভাৱে শিল সৰবৰাহৰ অনুমতি বিচাৰি শিৱসাগৰত শতাধিক লোকৰ প্ৰতিবাদ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২১



শিৱসাগৰ, ১২ নৱেম্বৰ, ২০২৬: শিৱসাগৰত ৱৈধভাৱে শিল সৰবৰাহৰ অনুমতি বিচাৰি শতাধিক লোকৰ প্ৰতিবাদ ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2322

ক্ৰীড়া

জাগুনত একাদশ সংখ্যক মেজৰ দুৰ্গা মল্লা গোৰ্খা কাপ ফুটবল প্ৰতিযোগিতা সফল সামৰণি

শ্যাম যাদৱ | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৬



Newz Now সেৱা, জাগুন, ১২ নৱেম্বৰ:- অসম-অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী অঞ্চল ৬ মাইল ৰামপুৱস্থিত জাগুন খেলপথাৰত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (AAGSU)ৰ টিৰাপ-জাগুন আঞ্চলিক সমিতিৰ উদ্যোগত আৰু সমূহ শাখা সমিতিৰ সহযোগত ২৫ অক্টোবৰৰ পৰা অনুষ্ঠিত হৈ অহা ব্ৰেভ হাৰ্ট একাদশ সংখ্যক মেজৰ দুৰ্গা মল্লা জিলা পৰ্যায়ৰ গোৱ্...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2265

অসম

সংখ্যালঘু ৰাইজক বাছি বাছি উচ্ছেদ কৰিছে চৰকাৰে!

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫২



ধুবুৰী, ১২ নৱেম্বৰ, ২০২৬:

মুছলমান হোৱাৰ বাবেই কান্দিব লগা হৈছে উচ্ছেদিতই! উচ্ছেদিতৰ লগত AIUDF দল সদায় আছে , মৌলানা বদৰুদ্দিন আজমলৰ নেতৃত্বত ৰাজপথত আন্দোলন হ'ব। অসম চৰকাৰক তীব্ৰ ভাবে নিন্দা কৰিছে এআইইউডিএফে । সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ আন্দোলন হ'ব। আমি উচ্ছেদ বিৰোধী নহয় , চৰকাৰী মাটি উচ্ছেদ কৰক আৰু লগতে সংস্থাপনো দিয়ক।অসমৰ বাসিন্দাক অত্যাচাৰ কৰিলে সহ্য কৰা নহ'ব।উচ্ছেদিত পৰিয়ালসমূহক পুনৰ সংস্থাপন নিদিলে ৰাজ্যজুৰি বৃহৎ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ দিছে এআইইউডিএফে।


বাকী অংশ ৰেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2293

অসম

সোণাপুৰত বাইক-ট্ৰেক্টৰৰ সংঘৰ্ষ, দুজন আহত

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, পুৱা ৮:৪৩



সোণাপুৰত নিশা এখন বাইক আৰু ট্ৰেক্টৰৰ মুখামুখি সংঘৰ্ষত দুজন বাইক আৰোহী গুৰুতৰভাৱে আহত হৈছে। আহতসকলৰ ভিতৰত এজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

জাগীৰোডৰ পৰা গুৱাহাটী অভিমুখে গৈ থকা বাইকখনৰ সৈতে বিপৰীত দিশৰ পৰা অহা এখন নম্বৰপ্লেটবিহীন ট্ৰেক্টৰৰ সংঘৰ্ষ হয়।

অভিযোগ অনুসৰি, ট্ৰেক্টৰচালকজনে সুৰাসক্ত অৱস্থাত ভুল দিশেৰে ট্ৰেক্টৰখন চলাই আহিছিল।


দুৰ্ঘটনাত আহত দুয়োজনকে সোণাপুৰ জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2199

অসম

ঢকুৱাখনাত মথাউৰী পথত দুজন যুৱকৰ মৃত্যু, গুৰুতৰভাৱে আহত তিনিজন

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫০



ঢকুৱাখনা, বুধবাৰ: ব্ৰহ্মপুত্ৰৰ মথাউৰী পথত সংঘটিত এক পথ দুৰ্ঘটনাত দুজন যুৱকৰ মৃত্যু হৈছে। এই ঘটনাত আন তিনিজন যুৱক গুৰুতৰভাৱে আহত হৈছে।

বুধবাৰে মাজনিশা প্ৰায় ১২.২০ বজাত মাজুলীৰ দিশৰ পৰা অহা এ এছ ০১ এফ জি ২৭২২ নম্বৰৰ মাৰুতি...

বাকী অংশ ৰেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2289

ৰাজনীতি

পঞ্জাব নিৰ্বাচনঃ আপৰ দ্বিতীয় তালিকাত ৩১ প্ৰাৰ্থীৰ নাম ঘোষণা

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৭:২৭



নতুন দিল্লী, ১২ নৱেম্বৰ: ২০২৭ চনৰ পঞ্জাব বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টিয়ে ৩১জন প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছে।

বাকী অংশ ৰেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2488

দেশ

ভাৰতৰ ক্ষেপণাস্ত্ৰ নিৰ্মাণত ব্যক্তিগত খণ্ডৰ প্ৰৱেশ, ওড়িশাত ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:৪০



চাঁদিপুৰ, বৃহস্পতিবাৰ: ওড়িশাৰ চাঁদিপুৰ উপকূলত ব্যক্তিগত উদ্যোগত নিৰ্মিত স্বল্প দূৰত্বৰ ভূমিৰ পৰা ভূমিলৈ নিক্ষেপযোগ্য ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষামূলক উৎক্ষেপণ সম্পন্ন হৈছে। ক্ষেপণাস্ত্ৰটোৱে নিৰ্ধাৰিত লক্ষ্যত আঘাত হানিবলৈ সক্ষম হৈছে।

বৃহস্পতিবাৰে বিয়লি চাঁদিপুৰৰ ইণ্টিগ্ৰেটেড টেষ্ট ৰেঞ্জৰ পৰা ক্ষেপণাস্ত্ৰটোৰ পৰীক্ষামূলক উৎক্ষেপণ কৰা হয়। ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডিআৰডিঅ'ৰ বিজ্ঞানীসকলে ক্ষেপণাস্ত্ৰটোৰ কাৰ্যক্ষমতা পৰীক্ষা কৰে।

ইয়াৰ পূৰ্বে ৩ নৱেম্বৰত ক্ষেপণাস্ত্ৰটোৰ প্ৰথম পৰীক্ষামূলক উৰণ সম্পন্ন হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2469

উত্তৰ-পূৰ্বাঞ্চল

অসম আৰু মেঘালয়ৰ ইতিহাস-সংস্কৃতিৰ সম্পৰ্ক গভীৰ, তুৰাত ৰাংলা উৎসৱৰ সোণালী জয়ন্তীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৪




তুৰা, ১২ নৱেম্বৰ: অসম আৰু মেঘালয়ৰ মাজৰ সম্পৰ্ক কেৱল ভৌগোলিক সীমাৰ মাজতে সীমাবদ্ধ নহয়; দুয়োখন ৰাজ্যৰ মাজত ইতিহাস, সংস্কৃতি আৰু আৱেগৰ গভীৰ সম্পৰ্ক আছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2465

দেশ

হিমাচলত পেৰাগ্লাইডিং দুৰ্ঘটনাত গ্ৰেটাৰ নয়ডাৰ যুৱকৰ মৃত্যু

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:১৮



হিমাচল প্ৰদেশৰ বিৰ বিলিঙত পেৰাগ্লাইডিং কৰাৰ সময়ত দুৰ্ঘটনাত গ্ৰেটাৰ নয়ডাৰ ২৬ বছৰীয়া যুৱক শুভম দোবলিয়ালৰ মৃত্যু হৈছে। মঙলবাৰে সংঘটিত ঘটনাক কেন্দ্ৰ কৰি পাইলট বিনয় কুমাৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে মৃত যুৱকজনৰ পৰিয়ালে।

পৰিয়ালৰ সূত্ৰই জনোৱা মতে, ভাই-ভনীৰ সৈতে হিমাচল প্ৰদেশলৈ ফুৰিবলৈ গৈছিল শুভম। অ'এনজিচিত কৰ্মৰত শুভমে পেৰাগ্লাইডিঙৰ প্ৰতি আগ্ৰহ থকাৰ বাবে বিৰ বিলিঙত এই দুঃসাহসিক ক্ৰীড়াত অংশ লৈছিল।

মঙলবাৰে বিয়লি প্ৰায় ৪ বজাত পাইলট বিনয় কুমাৰৰ সৈতে আকাশলৈ উৰা মাৰিছিল শুভমে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2449

অসম

নাগালেণ্ডৰ পাদদেশীয় অঞ্চলত চন্দন খেতিৰ সম্ভাৱনা, ICFREৰ বিজ্ঞানীৰ ইতিবাচক মূল্যায়ন

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৫




ক'হিমা, ১২ নৱেম্বৰ: নাগালেণ্ডৰ পাদদেশীয় অঞ্চলসমূহত বাণিজ্যিকভাৱে চন্দন খেতি কৰাৰ যথেষ্ট সম্ভাৱনা আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2309

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰৰ চুৰাচান্দপুৰত ৮০ কিলোগ্ৰাম ওজনৰ ৰকেটসহ চীনত নিৰ্মিত অস্ত্ৰ-বিস্ফোৰক উদ্ধাৰ

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৮



গুৱাহাটী, ১২ নৱেম্বৰ: মণিপুৰৰ চুৰাচান্দপুৰ জিলাত আৰক্ষী আৰু সেনাৰ যৌথ অভিযানত প্ৰায় ৮০ কিলোগ্ৰাম ওজনৰ ১০ ফুট দীঘল এটা ৰকেট, চীনত নিৰ্মিত চাৰিটা মৰ্টাৰ আৰু ছটা ইম্প্ৰভাইজড এক্সপ্ল'ছিভ ডিভাইচ বা আইইডি উদ্ধাৰ কৰা হৈছে। ১১ নৱেম্বৰত কাংগভাই উপ-বিভাগৰ অন্তৰ্গত পি গেলজাং গাঁৱৰ সমীপৰ বনাঞ্চলত এই অভিযান চলোৱা হয়। গোপন তথ্যৰ ভিত্তিত জিলা আৰক্ষী আৰু সেনাৰ যৌথ দলটোৱে তালাচী চলাই অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰকসমূহ উদ্ধাৰ কৰে বুলি আৰক্ষীয়ে জনাইছে।

উদ্ধাৰ হোৱা সামগ্ৰীৰ ভিতৰত ৮২ মিলিমিটাৰ ব্যাসৰ চীনত নিৰ্মিত চাৰিটা মৰ্টাৰ, প্ৰায় ১০ ফুট দীঘল আৰু ৮০ কিলো...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2326

অসম

ছাফ চেম্পিয়নশ্বিপ! মালদ্বীপক ১-০ গ'লত হৰুৱাই ছেমিফাইনেলত ভাৰত

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৩



ঢাকা, ১১ নৱেম্বৰ: ছুহেইল আহমদ ভাটৰ ৩৮ মিনিটৰ পেনাল্টি গ'ল আৰু গ'লৰক্ষক প্ৰিয়াংশ ডুবেৰ শেষ মুহূৰ্তৰ কেইবাটাও ৰক্ষণেৰে ভাৰতে মালদ্বীপক ১-০ গ'লত পৰাস্ত কৰি ছাফ চেম্পিয়নশ্বিপৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। বুধবাৰে ঢাকাৰ নেচনেল ষ্টেডিয়ামত গ্ৰুপ 'বি'ৰ অন্তিম মেচখন অনুষ্ঠিত হয়। বৰ্তমানৰ চেম্পিয়ন ভাৰত দলে গ্ৰুপ পৰ্যায়ত ৬ পইণ্টেৰে অভিযান সামৰিছে। পাকিস্তানৰ পইণ্ট ৩, আনহাতে এটাও পইণ্ট নোপোৱাকৈ প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে মালদ্বীপ। ১৪ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ছেমিফাইনেলত ভাৰতে বাংলাদেশ, ভূটান অথবা শ্ৰীলংকাৰ মুখামুখি হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2319

অসম

মেঘালয়ত ৰাংলা উৎসৱৰ শুভাৰম্ভ, সহস্ৰ ঢোলৰ ছন্দত মুখৰ চিবাগ্ৰে

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২০



তুৰা, ১২ নৱেম্বৰ: মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাৰ চিবাগ্ৰে গাঁৱৰ ৰাংলা আদামত বুধবাৰে ২০২৬ বৰ্ষৰ ৰাংলা উৎসৱৰ শুভাৰম্ভ হয়। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে ছাংমা উপস্থিত থাকে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2317

ক্ৰীড়া

আফগানিস্তানক ৮ উইকেটত হৰুৱাই ফাইনেলত ভাৰত; খিতাপৰ যুঁজত মুখামুখি হ'ব পাকিস্তানৰ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৭:২১



আল আমেৰাত, ১২ নৱেম্বৰ: অনূৰ্ধ্ব-১৯ এছিয়া কাপৰ ছেমিফাইনেলত আফগানিস্তানক ৮ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতীয় দলে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2484

অসম

ইংলেণ্ড 'এ'ৰ বিপক্ষে ভাৰত 'এ' দলত উমা চেত্ৰী

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৮



গুৱাহাটী: ইংলেণ্ড 'এ'ৰ বিপক্ষে আগন্তুক মেচৰ বাবে ভাৰত 'এ' মহিলা দলত স্থান লাভ কৰিছে অসমৰ উইকেটকীপাৰ উমা চেত্ৰীয়ে।

১৯ ডিচেম্বৰৰ পৰা মুম্বাইত অনুষ্ঠিত হ'বলগীয়া এই মেচখনৰ বাবে উমাক উইকেটকীপাৰ হিচাপে দলত অন্তৰ্ভুক্ত কৰা হৈছে।

ইফালে, ২০২৬-২৭ ছিজনৰ ছিনিয়ৰ মহিলা আন্তঃমণ্ডলীয় টি-২০ ট্ৰফীৰ বাবে পূব মণ্ডলৰ দলতো উমা চেত্ৰীসহ অসমৰ তিনিগৰাকী খেলুৱৈয়ে স্থান লাভ কৰিছে। আন দুগৰাকী খেলুৱৈ হৈছে জিণ্টিমণি কলিতা আৰু খুশী শৰ্মা।

আমণ্টিকা মুণ্ডাক সংৰক্ষিত খেলুৱৈৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। অসম ক্ৰিকেট সন্থাৰ মহিলা নিৰ্বাচন সমিতিৰ অধ্যক্ষা নাজনীন সুলতানা আলী আহমেদে পূব মণ্ডলৰ দলটোৰ দল পৰিচালকৰ দায়িত্ব পালন কৰিব।

আগন্তুক প্ৰতিযোগিতাখন ২৪ নৱেম্বৰৰ পৰা ৪ ডিচেম্বৰলৈ গুৱাহাটীৰ এচিএ ষ্টেডিয়াম আৰু উত্তৰ গুৱাহাটীৰ ফুলুঙত অৱস্থিত এচিএ ক্ৰিকেট একাডেমী খেলপথাৰত অনুষ্ঠিত হ'ব।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2305

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen

অসম

টেঙাখাতত ধাননি পথাৰৰ পৰা উদ্ধাৰ তিনিটা বনমেকুৰীৰ পোৱালি

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৭



ডিব্ৰুগড়, বুধবাৰ: ডিব্ৰুগড় জিলাৰ টেঙাখাতৰ নাকাৰী নেওগচুক গাঁৱৰ এখন ধাননি পথাৰৰ পৰা বুধবাৰে তিনিটা বনমেকুৰীৰ পোৱালি উদ্ধাৰ কৰা হয়।

স্থানীয় লোকে সৰু প্ৰাণীকেইটাক দেখি বাঘৰ পোৱালি বুলি সন্দেহ কৰি বন বিভাগক খবৰ দিয়ে। খবৰ পাই বন বিভাগৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়।

পৰীক্ষাৰ পাছত বন বিভাগৰ বিষয়াসকলে প্ৰাণীকেইটা বাঘৰ পোৱালি নহয়, বনমেকুৰীৰ পোৱালি বুলি চিনাক্ত কৰে।

স্থানীয় লোকে ধাননি পথাৰত তিনিটা বাঘৰ পোৱালি দেখা পোৱা বুলি খবৰ দিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2312

অসম

আজি গুৱাহাটীত বন্ধ পেট্ৰ'ল পাম্প , পুৱাই হাহাকাৰ গ্ৰাহকৰ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, পুৱা ১১:১৩



গুৱাহাটী, ১২ নৱেম্বৰ, ২০২৬:

২৪ ঘণ্টাৰ বাবে বন্ধ পেট্ৰ'ল পাম্প, পুৱাই হাহাকাৰ গ্ৰাহকৰ । গুৱাহাটীত আজি পুৱা ৬ বজাৰ পৰা ২৪ ঘণ্টাৰ বাবে বন্ধ ৰখা হৈছে পেট্ৰ'ল পাম্পসমূহ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2235